No. of Printed Pages—7

126N/129N (BSN/UBA)

[20-HKGPDEN–M4S(N)21J]

MA 4th Semester (New) Exam., 2020

ASSAMESE

[PGAS–S4–03 (Lit)]

(তুলনামূলক সাহিত্য তত্ত্ব আৰু ভাৰতীয় সাহিত্য)

Full Marks : 80

Time : 3 hours

The figures in the margin indicate full marks for the questions

1. *(a)* তলৰ প্ৰশ্নসমূহৰ চমুকৈ উত্তৰ লিখক : 1×8=8

(i) তুলনামূলক সাহিত্যৰ ইংৰাজী পৰিভাষা কি?

(ii) কোন চনত দিল্লীত সাহিত্য অকাদেমি স্থাপন হৈছিল?

(iii) ছৈয়দ আব্দুল মালিকে সভাপতিত্ব কৰা অসম সাহিত্য সভাৰ অধিবেশন ক'ত অনুষ্ঠিত হৈছিল?

(iv) নিৰুপমা বৰগোহাঞি কোন যুগৰ ঔপন্যাসিক?

(v) ৰবীন্দ্ৰনাথ ঠাকুৰৰ এখন গল্পপুথিৰ নাম লিখক।

(vi) প্ৰথম ভাৰতীয় এৰছাৰ্ড নাটক বুলি বিবেচিত নাটকখনৰ নাম কি?

(vii) বীণা বৰুৱাৰ 'জীৱনৰ বাটত' কোন শ্ৰেণীৰ উপন্যাস?

(viii) গংগাদেৱী কোনখন নাটকৰ চৰিত্ৰ?

(b) খালী ঠাঁই উপযুক্ত শব্দৰে পূৰ কৰক : 1×4=4

(i) তুলনামূলক সাহিত্য বিষয়টোৱে _____ ইউৰোপত জন্মলাভ কৰিছিল।

(ii) ভাৰতীয় মহাকাব্য ৰামায়ণ-মহাভাৰতৰ জৰিয়তে ৰাষ্ট্ৰীয় _____ আৰু _____ প্ৰতিফলন ঘটা দেখা যায়।

(iii) ভাৰতীয় সাহিত্য আখ্যাৰে ভাৰতৰ _____ সাহিত্যক নির্দেশ কৰা হৈছে।

(iv) অসমীয়াত 'Theme'ৰ প্রতিশব্দ হিচাপে _____ শব্দটো গ্রহণ কৰা হয়।

(c) শুদ্ধ উত্তৰটো বাচি উলিয়াওক : 1×4=4

(i) মাণিক বন্দ্যোপাধ্যায়ৰ প্রথম গল্পটো প্রকাশ হৈছিল

1. ১৯২৮ চনত
2. ১৯৩৬ চনত
3. ১৯৪৮ চনত
4. ১৯৫৬ চনত

(ii) ছৈয়দ আব্দুল মালিকে সাহিত্য অকাদেমি বঁটা লাভ কৰা গ্রন্থখন হ'ল

1. আধাৰ শিলা
2. জীয়াজুৰিৰ ঘাট
3. অঘৰী আত্মাৰ কাহিনী
4. মৰহা পাপৰি

(iii) গিৰীশ কার্ণাডৰ 'নাগমণ্ডল' নাটকৰ আধাৰ পুৰণি

1. ৰূপকথা
2. বীৰ গাথা
3. লোককথা
4. পৌৰাণিক আখ্যান

(iv) ৰবীন্দ্রনাথ ঠাকুৰে ভাৰতীয় শিক্ষা পৰিষদৰ সভাত Comparative Literature শীর্ষক বক্তৃতা প্রদান কৰা চনটো হ'ল

1. ১৯১২
2. ১৯০৭
3. ১৯০১
4. ১৯২৮

(Continued)

2. তলৰ যি কোনো পাঁচটা প্ৰশ্নৰ উত্তৰ লিখক (প্ৰতিটো ৫০ শব্দৰ ভিতৰত) : 2×5=10

(a) প্ৰভাৱ অধ্যয়ন পদ্ধতি সম্পৰ্কে চমুকৈ লিখক।

(b) 'আঞ্চলিক সাহিত্য' পদটোৱে কি সূচায়?

(c) "ৰবীন্দ্ৰনাথ ঠাকুৰৰ জীৱন দৰ্শনৰ মূল ভেঁটি আছিল উপনিষদীয় চিন্তা।" ৰবীন্দ্ৰনাথৰ কবিতাৰ আধাৰত বুজাই লিখক।

(d) 'যীশুখৃষ্টৰ ছবি' গল্পটিৰ মাজেৰে প্ৰকাশ পোৱা মানৱীয় দিশ সম্বন্ধে চমুকৈ লিখক।

(e) মহাকাব্যিক উপন্যাস সম্পৰ্কে চমুকৈ লিখক।

(f) অংকীয়া নাট সম্পৰ্কে এটি চমু আলোচনা আগবঢ়াওক।

3. তলৰ যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ লিখক (প্ৰতিটো প্ৰায় ১৫০ শব্দৰ ভিতৰত) : 3×4=12

(a) ভাৰতীয় কবিতাৰ এক তুলনামূলক আলোচনা আগবঢ়াওক।

(b) 'শেষ অৰ্ঘ্য' কবিতাটিত কবিয়ে নোপোৱাৰ বেদনাক কিদৰে ব্যক্ত কৰিছে? চমুকৈ লিখক।

(c) 'ইপাৰৰ ঘৰ সিপাৰৰ ঘৰ' উপন্যাসখনৰ আধাৰত নিৰুপমা বৰগোহাঞিৰ ৰচনাৰীতি সম্পৰ্কে এটি আলোচনা আগবঢ়াওক।

(d) শংকৰদেৱে কেনেধৰণৰ লোকনাট্যানুষ্ঠানৰ পৰা সমল আহৰণ কৰি অংকীয়া নাট সৃষ্টি কৰিছিল? চমুকৈ লিখক।

(e) 'মহাৰাজা' নাটকৰ অন্তৰ্নিহিত তাৎপৰ্য বিচাৰ কৰক।

4. তলৰ যি কোনো তিনিটা প্ৰশ্নৰ উত্তৰ লিখক (প্ৰতিটো প্ৰায় ২৫০ শব্দৰ ভিতৰত) : 6×3=18

(a) 'ভাৰতীয় সাহিত্য' পদটোৱে কোনসমূহ সাহিত্যক নিৰ্দেশ কৰে? এই সম্পৰ্কে এটি নাতিদীৰ্ঘ টোকা প্ৰস্তুত কৰক।

(b) তুলনামূলক ভাৰতীয় সাহিত্য অধ্যয়নৰ প্ৰয়োজনীয়তা সম্পৰ্কে এটি আলোচনা আগবঢ়াওক।

(c) ভাৰতীয় কবিতাত ৰাষ্ট্ৰীয় ঐক্য আৰু সংহতিৰ প্ৰতিফলন কেনেদৰে ঘটিছে, আলোচনা কৰক।

(d) উপন্যাসৰ শ্ৰেণীবিভাজনৰ আধাৰ বা ভিত্তি কি? উপন্যাসৰ প্ৰকাৰগত অধ্যয়ন সম্পৰ্কে আলোচনা কৰক।

(Turn Over)

5. তলৰ যি কোনো তিনিটা প্ৰশ্নৰ উত্তৰ লিখক (প্ৰতিটো প্ৰায় ৩০০ শব্দৰ ভিতৰত) : 8×3=24

(a) তুলনামূলক সাহিত্যৰ পৰিচয় দি এটি প্ৰবন্ধ লিখক।

(b) ভাৰতীয় সাহিত্যত উপনিষদৰ প্ৰভাৱ সম্পৰ্কে এটি আলোচনা আগবঢ়াওক।

(c) অসমীয়া ভাষাত ৰচিত নদীকেন্দ্ৰিক আঞ্চলিক উপন্যাসৰ এটি সমীক্ষা আগবঢ়াওক।

(d) 'কাবুলীৱালা' আৰু 'যীশুখৃষ্টৰ ছবি' গল্পৰ কাহিনীৰ সাদৃশ্য বিচাৰ কৰক।